মটকৰ মাজতো নিজৰ শিপা বিচৰাৰ প্ৰৱণতা বাঢ়ি গ'ল। তৎসত্ত্বেও এইসকল নেতাৰ জনপ্ৰিয়তাৰ অকণো হীন-ডেঢ়ি নহ'ল। আন্দোলন শেষ হ'ল, চুক্তিখনৰো ফোঁপোলা ৰূপ সকলোৰে চকুৰ আগত ধৰা পৰি গ'ল, কিন্তু নেতাসকলৰ জনপ্ৰিয়তাত চেকা নালাগিল। তেওঁলোকৰ পাছতো যিসকলে ছাত্ৰ সংগঠনটোৰ নেতৃত্ব দিলে তেওঁলোকেও সমান জনপ্ৰিয়তাৰে অসমীয়া সমাজক বিভোৰ কৰি ৰাখিলে। নতুনকৈ হোৱা মুখ্যমন্ত্ৰীজনো তেনে প্ৰক্ৰিয়াৰেই হোৱা নেতা। সময়ে সময়ে অসমীয়াই শুনিব খোজা কেইষাৰমান আবেগিক বাক্য আওৰায়েই এওঁলোক জাতীয় নায়ক হ'ল, হ'ল অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ ঠিকাদাৰ। এইজন মহাপুৰুষে অসমত অবৈধ বিদেশীক স্বদেশী কৰিবলৈ কৰা আইনখন বাতিল কৰিবলৈ দেশৰ উচ্চতম ন্যায়ালয়ত গোচৰ তৰিলে। দহ বছৰমান গোচৰটো চলাৰ পাছত মহামান্য আদালতে আইনখন বাতিল কৰিলে। ছাত্ৰনেতাজন আদালতৰ ৰায়দানৰ পাছতে ৰাতাৰাতি হৈ পৰিল জাতীয় নায়ক। জাতীয় নায়কে সপোন দেখিলে অচিৰেই অসম আৰু অসমীয়াৰ ভাগ্যনিয়ন্তা হোৱাৰ। প্ৰমাদ গণিলে তেওঁৰ পূৰ্বসূৰি জাতীয় নায়কসকলে। সিবিলাকে একমুখে এই নৱতম নায়কৰ 'যাৰ যহত শাখা-সেন্দূৰ তাকে পাতে ভোকোহা এন্দুৰ' স্বভাৱটোৰ গৰিহণা দিলে। ছেগ চাই জাল পেলোৱাত সিদ্ধহস্ত দেশৰ কপালত হিন্দুত্বৰ টিকা লগাব খোজা দলটোৰ কাণ্ডাৰীসকলে টোপ দিলে—'আমাৰ বুকুলৈ আহা। ডিঙিত নহ'লেও হাতৰ মণিবন্ধত লগুণ পিন্ধাই অসুৰৰপৰা সুৰ কৰি তোমাকেই কিৰাট ৰাজ্যৰ ৰজা পাতোঁ।' জাতীয় নায়কৰ চকুত গেৰুৱা সপোন ফুলিল। জাতীয় নায়কৰপৰা ৰাষ্ট্ৰীয় নায়ক হোৱাৰ সপোনত চুৰিয়া-চাপকন-মথুৰা পাগ এৰি গেৰুৱা বসন আৰু ৰামনামী লিখা উত্তৰীয় গাত মেৰিয়ালে নেতাপ্ৰবৰে। মহানায়কৰ কপালো আছিল ভাল। চোৰ-ডকাইতৰ দৰে দেশৰ খোলা উলিয়াই দিয়া আগৰ চৰকাৰখনৰ ওপৰত ৰাইজ খৰ্গহস্ত হৈছিল। নিৰ্বাচনটো অহাত সেইসোপাক পুলিয়ে-পোখাই উঘালি ৰামনামী পিন্ধা মহানায়কৰ দলটোক শাসনৰ গাদীত বহুৱালে। হিন্দুত্ববাদী ৰাষ্ট্ৰীয় নেতাসকলে জাকপাতি আহি সিজনৰ অভিষেক কৰিলে; গংগাজলেৰে পবিত্ৰ কৰিলে আগৰ গুণ্ডা-বদমাচে অশুচি কৰি থোৱা সাতখলপীয়া সিংহাসন। মহানায়কৰ গাদীত বহুৱাই হিন্দুত্ববাদী উত্তৰ ভাৰতীয়সকলে তেৰাৰ সোঁহাত স্বৰূপে কাষৰ আসনত উপৱিষ্ট কৰালে চতুৰালিত সিদ্ধহস্ত এজনক। সোণত সুৱগা চৰিল। 'অসম আকৌ উন্নতিৰ পথত' বুলি শংখ-দবা-কাঁহৰ লগতে কাশীৰ পুৰোহিতে বজোৱা টিলিঙাৰ সুৰে সুৰে অসমীয়া ৰাইজে মনৰ আনন্দতে সাতপাক মাৰিলে। মহাজাতীয় মহামিলনৰ উৎসৱত কান্ধ মিলালে জাতিৰ ঠিকাদাৰসকলেও। বড়ো-কছাৰী, কাৰ্বি-ডিমাচায়ো বহুত দিনৰ মূৰত বিভেদ পৰিহৰি একেটা ছাতিৰ তলত গোট খাই ৰাম নাম গালে!

কথাবোৰ ভাবি থাকোঁতে অৰবিন্দ ৰাজখোৱাৰ মুখখন তিতা তিতা লাগি গ'ল। যেন ভেকুৰী তিতাহে জিভাত লাগিল। বহি থকা চকীখনৰপৰা উঠি ৰাজখোৱা বাৰাণ্ডালৈ ওলাই গ'ল। মুখৰপৰা থু এলেপা উলিয়াই মাৰি পঠালে যিমান পাৰে সিমান দূৰলৈ। ইউনিভাৰ্চিটিখনেই এই অঞ্চলটোৰ ডাঙৰ প্ৰতিষ্ঠান। ইমানদিনে সেইখনক লৈ ৰাজখোৱাৰ ইমানকৈ মূৰৰ বিষ হোৱা নাছিল। পাঁচ-ছহেজাৰ ল'ৰা-ছোৱালী, শিক্ষক-শিক্ষয়িত্ৰী, বিষয়া-কৰ্মচাৰীৰে বিশ্ববিদ্যালয় কেম্পাছটো জ্ঞানৰ সৰোবৰ নহ'লেও ডাঙৰ আকাৰৰ পুখুৰী এটা বুলি ক'ব পৰা হৈছিল। ছাত্ৰ ৰাজনীতি বিশ্ববিদ্যালয়খনত জন্মদিনৰেপৰা আছিল; অসমত সেইখিনি নথকাটোহে আচৰিত কথা হ'লহেঁতেন। ৰাজখোৱাৰ নিজৰ স্কুল-কলেজীয়া দিনবোৰলৈ মনত পৰিল। সত্তৰৰ দশকত তেওঁ স্কুলীয়া ছাত্ৰ আছিল। ক্লাছ এইট পাইছিল সেই বছৰ। জাতীয় ছাত্ৰ সংগঠন বুলি জাহিৰ কৰা সংগঠনটোৰ ৰাজ্যত তেতিয়া বেচ দপদপনি। বাঁওপন্থী ছাত্ৰ সংগঠন দুটামানো আছিল যদিও সিহঁতৰ সদস্য সংখ্যা বেছি নোহোৱাৰ বাবে দপদপনিও নাছিল। নগৰ-চহৰৰ দেৱালত শ্ল'গান লিখাতে সেইকেইটা সংগঠনৰ অস্তিত্ব সীমাবদ্ধ আছিল। ৰাজখোৱাই পঢ়া স্কুলখনৰ ছাত্ৰ একতা সভাখনো জাতীয় গোটটোৰ দখলতে আছিল। ডিছেম্বৰ মাহ সোমাইছিল। অবৈধ বিদেশী আৰু বহিৰাগত, এই দুটা শব্দ ৰাজখোৱাৰ বয়সৰ ছাত্ৰ-ছাত্ৰীবোৰৰো চিনাকি হৈ পৰিছিল। লোকসভা সমষ্টি এটাত উপনিৰ্বাচন হোৱাৰ কথা আছিল। তাৰ কাৰণে প্ৰস্তুত কৰা ভোটাৰ তালিকাত অবৈধ বিদেশীৰ অসংখ্য নাম থকা বুলি ছাত্ৰ সংগঠনটোৱে উপনিৰ্বাচনটো অনুষ্ঠিত নকৰিবলৈ দাবী জনালে। নিৰ্বাচন আয়োগৰ চিঠি-পত্ৰতো তেওঁলোকৰ দাবী যুক্তিসংগত বুলি উল্লেখ কৰাৰ খবৰ বাতৰিকাগজবোৰে সেই সময়ত পৰিৱেশন কৰিছিল। ৰাজ্যখনৰ আকাশ-বতাহ এবছৰমানৰপৰা এইবোৰ বিষয় লৈয়ে গৰম হৈ আছিল। উপনিৰ্বাচনটো নহ'ল যদিও দুবছৰমান আগতে কেন্দ্ৰত গঠন হোৱা বিৰোধী জোঁটৰ চৰকাৰখনৰ পতন হোৱাত পুনৰবাৰ লোকসভা গঠনৰ কাৰণে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰা হ'ল সেইটো বছৰৰে নৱেম্বৰ মাহত। অবৈধ বিদেশীয়ে ভোটাৰ তালিকাত স্থান পোৱা বিষয়টোৰ সন্তোষজনক সমাধান নোহোৱাৰ পৰিপ্ৰেক্ষিতত জাতীয় ছাত্ৰ সংগঠন আৰু তেওঁলোকৰ সহযোগীসকলে নিৰ্বাচন বৰ্জন কৰাৰ আহ্বান দিলে। কিন্তু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এজনৰ বিধৱা পত্নীগৰাকীয়ে নিৰ্বাচন বৰ্জনৰ আহ্বান অগ্ৰাহ্য কৰি সংখ্যালঘু অধ্যুষিত লোকসভা সমষ্টি এটাত মনোনয়ন পত্ৰ দাখিল কৰিবলৈ গ'ল। মনোনয়ন দিবলৈ যোৱাৰ ৰাস্তাত তেওঁক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব পৰিল ৰাজ্যখনৰ আইন-শৃংখলাৰ দায়িত্বত থকা আৰক্ষী মহাপৰিদৰ্শকজনৰ ওপৰত। প্ৰাৰ্থীগৰাকী ৰাজপথত ছাত্ৰ সংগঠনটোৰ প্ৰতিবাদী কৰ্মীসকলৰ সন্মুখীন হ'ব লগা হ'ল। ছাত্ৰকৰ্মীসকলে দেশৰ স্বাৰ্থৰ দোহাই দি তেখেতক মনোনয়ন পত্ৰ দাখিল নকৰিবলৈ অনুৰোধ কৰিলে। তেওঁৰ নিৰাপত্তাৰ দায়িত্বত থকা আইজিপিজনে পথ অৱৰোধ কৰা ছাত্ৰ-ছাত্ৰীসকলক খেদি গ'ল। পুলিছৰ খেদাখেদি আৰু লাঠীচালনাত জিলা পৰ্যায়ৰ ছাত্ৰনেতা এজন নিহত হ'ল। লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকাত ইমানদিনে উমি উমি জ্বলি থকা জুইকুৰা দপদপাই জ্বলি উঠিল। ৰাজখোৱাৰ মনত আছে লাখে লাখে ল'ৰা-ছোৱালী, ডেকা-গাভৰু, মুনিহ-তিৰোতা ৰাজপথলৈ ওলাই আহি অবৈধ বিদেশীক দেশৰ পৰা বহিষ্কাৰ কৰাৰ দাবীত দিন-ৰাতি একাকাৰ কৰি মেদিনী কঁপাই ৰাজপথ-পদপথ উত্তাল কৰি তোলাৰ কথা। ক্লাছ এইটত পঢ়ি থকা অৰবিন্দ ৰাজখোৱাৰ গাতো আন্দোলনৰ বতাহ লাগিল। তেতিয়াৰেপৰা আন্দোলন শেষ নোহোৱালৈকে ৰাজখোৱাই আন্দোলনৰ নেতাসকলে যিমানবোৰ কাৰ্যসূচী লৈছিল সকলোতে ভাগ ল'লে। অৱশ্যে আন্দোলনৰ মাজে মাজে হৈ থকা পৰীক্ষাবোৰো দি থাকিবলৈ তেওঁ নাপাহৰিলে। আৰু তেতিয়ানো পৰীক্ষা কি, বহিলেই পাছ কৰিব পাৰি। উত্তৰ বহীত ৰোল নম্বৰটো লিখি দিয়েই কাম সামৰে ৰাজখোৱাহঁতৰ নিচিনা ল'ৰা-ছোৱালীবোৰে। মাষ্টৰ, আগতে পাছ কৰি যোৱা ল'ৰা-ছোৱালী, আটায়ে মিলি উত্তৰ বহীবোৰ লিখি যায়। মেট্ৰিক, হায়াৰ ছেকেণ্ডেৰি, ডিগ্ৰি আনকি ডক্টৰেট উপাধি লওঁতাসকলেও একেই পদ্ধতি অৱলম্বন কৰিলে। এদিন আন্দোলন শেষ হ'ল। ৰাজখোৱায়ো বি এ পাছ কৰিলে। আন্দোলনৰ আগশাৰীৰ নেতাসকল মন্ত্ৰী, ৰাজহুৱা খণ্ডৰ উদ্যোগ, চৰকাৰী প্ৰতিষ্ঠানৰ অধ্যক্ষ, নগৰ নিগম, নগৰ পালিকা, পঞ্চায়তৰ অধ্যক্ষ-সভাপতি, সম্পাদক আদি পদবীত অধিষ্ঠিত হ'ল। ৰাজখোৱাহঁতৰ নিচিনা ডেকা ল'ৰাখিনিক মাষ্টৰ, কেৰাণী, চিপাহী, ছাব-ইন্সপেক্টৰৰ চাকৰি দিয়া হ'ল। ৰাজখোৱাৰ চখ আছিল পুলিছ হোৱাৰ। আন্দোলনৰ সময়ছোৱাত যেতিয়াই-তেতিয়াই থানালৈ অহা-যোৱা কৰিবলগা হোৱাত ৰাজখোৱাই পুলিছৰ তলা-নলা সকলো গম পাই গৈছিল। সহজ উপায়ে ধন ঘটাৰ বৃত্তিসমূহ যেনে—চৌৰ্য, গণিকা, দালাল, চিপাহী আদিৰ ভিতৰত চিপাহীৰ কামটোৱেই যে আটাইতকৈ নিৰাপদ